জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৭৫/২০২২**

**<u>শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ</u>**

# ক্ষণজন্মা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এজন সৰ্বশ্ৰেষ্ঠ অসমীয়া, এজন সৰ্বশ্ৰেষ্ঠ ভাৰতীয় ঃ মুখ্যমন্ত্ৰী

- **গুৰুজনাই বৰদোৱাৰ পৰা কোচবিহাৰলৈ যোৱাৰ বৰ্ণিল যাত্ৰাপথৰ যি ঠাইত এৰাতি হ'লেও কটাইছিল তেনে স্থানত ৰাজ্য চৰকাৰে একোটিকৈ নামঘৰ নিৰ্মাণ কৰিব**
- **বৰদোৱাৰ পৰা কোচবিহাৰ পৰ্যন্ত গুৰুজনাই থকা প্ৰতিটো স্থান সামৰি অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ সেৱা প্ৰৱৰ্তন কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব**
- **মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলৰ দা-দৰমহাৰ বাবদ প্ৰতিবছৰে ৰাজ্য চৰকাৰে ৬ কোটি টকাকৈ আগবঢ়াব**
- **নাহৰকটীয়াত অনুষ্ঠিত সংঘৰ অধিৱেশনখনিৰ স্মৃতি ৰক্ষাৰ্থে এটি নামঘৰ স্থাপনৰ বাবে অভ্যৰ্থনা সমিতিলৈ ১ কোটি টকা**

**দিছপুৰ, ২৭ ফেব্ৰুৱাৰী ঃ** 'ক্ষণজন্মা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এজন সৰ্বশ্ৰেষ্ঠ অসমীয়া, এজন সৰ্বশ্ৰেষ্ঠ ভাৰতীয়। পঞ্চদশ শতিকাত ভাৰত ভূমি কল্পনা কৰি অসমীয়া জাতি নিৰ্মাণ কৰাৰ লগতে পৱিত্ৰ ভাৰত ভূমিক সেৱা যাচিছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। অসমীয়া জাতীয় জীৱনত নিৰ্ণায়ক দিশৰ সূচনা কৰি একশৰণ হৰিনাম ধৰ্মৰে সনাতন ধৰ্মক প্ৰাণৱন্ত কৰি তুলিছিল। বেদ-উপনিষদৰ সাৰমৰ্মৰে সনাতন সৌধটিক অধিক খৰস্ৰোতা কৰি আমাৰ আধ্যাত্মিক তথা সাংস্কৃতিক জীৱনশৈলীক অনন্য মাত্ৰা প্ৰদান কৰিছিল। শংকৰদেৱ আছিল উদাৰতাৰ এক নিৰ্মল প্ৰতীক। এক অনুষ্ঠান। অসমীয়া জাতিসত্ত্বাক উজ্জ্বীৱিত কৰি নতুন পৰিচয় প্ৰদান কৰা মহাপুৰুষগৰাকীয়ে আধ্যাত্মিক আৰু সাংস্কৃতিক মিলনেৰে চিৰকালৰ বাবে জাতিটোক সমৃদ্ধ কৰি গৈছে।' — নাহৰকটীয়াৰ চাচনী, কলিয়াপানী আৰু ৰাঙলী পথাৰৰ বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয়ৰ ক্ষেত্ৰত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১ সংখ্যক বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই মন্তব্য কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে গুৰুজনাই বৰদোৱাৰ পৰা কোচবিহাৰলৈ যোৱাৰ বৰ্ণিল যাত্ৰাপথৰ যি ঠাইত এৰাতি হ'লেও কটাইছিল তেনে স্থানত ৰাজ্য চৰকাৰে একোটিকৈ নামঘৰ নিৰ্মাণ কৰিব। তদুপৰি, বৰদোৱাৰ

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

পৰা কোচবিহাৰ পৰ্যন্ত গুৰুজনাই থকা প্ৰতিটো স্থান সামৰি অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ সেৱা প্ৰৱৰ্তন কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা স্থাপিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়খনক দেশৰ ভিতৰতে এখন শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ত পৰিণত কৰাৰ দিশত সংঘ যত্নপৰ হ'ব বুলি আশা প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই বিশ্ববিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলৰ দা-দৰমহাৰ বাবদ প্ৰতিবছৰে ৰাজ্য চৰকাৰে ৬ কোটি টকাকৈ আগবঢ়াব বুলিও ঘোষণা কৰে। আনহাতে, নাহৰকটীয়াত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এই ৯১ সংখ্যক অধিৱেশনখনিৰ স্মৃতি ৰক্ষাৰ্থে এটি নামঘৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰে অভ্যৰ্থনা সমিতিলৈ ১ কোটি টকা আগবঢ়াব বুলিও তেওঁ কয়।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনস্থলীয়ে মৰ্ত্যক বৈকুণ্ঠধামত পৰিণত কৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বুলি ক'লেই মনলৈ আহে মধ্য যুগৰ ভাৰতবৰ্ষৰ কথা। পঞ্চদশ-ষষ্ঠদশ শতিকাৰ যুগপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমৰ সৰ্বগুণাকৰ ধৰ্মগুৰু আৰু অসমীয়া সমাজক জাতীয় ভাবধাৰাৰে উদ্বুদ্ধ কৰি তোলা এগৰাকী মহাপ্ৰাণ। ভাষা-সাহিত্য আৰু সংস্কৃতিৰ পোহৰেৰে তেৰাই অসমৰ অতীত সংস্কৃতি আৰু সামাজিক ব্যৱস্থাৰ ৰূপান্তৰ ঘটাইছিল। ভাগৱত-গীতা আদি শাস্ত্ৰত নিহিত বেদান্ত দৰ্শনৰ গভীৰতম বাণীৰে সমগ্ৰ অসমীয়া জাতিৰ ঐক্য প্ৰতিষ্ঠা কৰিছিল। অতি প্ৰাসংগিকভাৱেই তেৰাক আমাৰ জাতিটোৰ পিতৃ বুলি অভিহিত কৰিব পাৰি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো যুগেই শ্ৰীমন্ত শংকৰদেৱৰ অৱদানৰাজিক নতুন নতুন দৃষ্টিভংগীৰে মূল্যায়ন কৰি আহিছে। সময় পাৰ হোৱাৰ লগে লগে তেৰাৰ কৰ্মৰাজিৰ ন ন মাত্ৰা আমাৰ সন্মুখত উন্মোচিত হ'বলৈ ধৰিছে। সেই অনুসৰি শ্ৰীমন্ত শংকৰদেৱক এগৰাকী ধৰ্মগুৰু, সমাজ-সংস্কাৰক, দাৰ্শনিক, সাংস্কৃতিক দিক্‌পাল আদি নানা অভিধাৰে অভিহিত কৰিব পাৰি। মহাপুৰুষগৰাকীক বিভূষিত কৰিব পাৰি সংহতিৰ এক মহত্তম ৰূপকাৰ হিচাপে। অসমৰ বিভিন্ন জাতি-গোষ্ঠীৰ মাজত সংহতি সাধন কৰি তেৰাই অসমীয়া জাতিৰ প্ৰাণ সঞ্চাৰ কৰাৰ উপৰি সাংস্কৃতিক আৰু ভৌগোলিক ভাৰতৰ সৈতে অসমৰ পুৰাতন যোগসূত্ৰক প্ৰাণৱন্ত কৰি তুলিছিল।

মানৱতাৰ পূজাৰী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সাংস্কৃতিক আৰু আধ্যাত্মিক দৰ্শনেৰে মানৱতাৰ এক সৰ্বাত্মক ৰূপ প্ৰতিফলিত কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষগৰাকীয়ে ধৰ্ম প্ৰচাৰৰ সময়ত প্ৰত্যক্ষ কৰিছিল যে সমাজখন বহুধা-বিভক্ত আৰু ইয়াৰ মাজত সমাজৰ দুৰ্বল তথা ক্ষুদ্ৰ গোষ্ঠীসমূহে একাকী সত্ত্বাৰে জীৱন নিৰ্বাহ কৰিব লগা হৈছিল। মানৱ জীৱনৰ এই আৱৰ্তই যে মানুহৰ মননশীল বিকাশ, আত্মিক সৱলীকৰণ কৰিব নোৱাৰে সেই কথা তেৰাই উপলব্ধি কৰিবলৈ সক্ষম হৈছিল। পাৰস্পৰিক সহযোগিতা, সম উত্তৰণে এখন সমাজক শক্তিশালী কৰে। সেই দৃঢ় ধাৰণা তেৰাৰ আছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে ঈশ্বৰৰ দৃষ্টিত জাত-পাত, ভেদা-ভেদৰ স্থান নাই। এই কথা শংকৰদেৱৰ আধ্যাত্মিক দৰ্শনৰ মাজেৰে প্ৰকাশিত হৈ উঠিছিল। মানুহৰ নিৰন্তৰ যাত্ৰাত জাতিভেদ প্ৰথাই প্ৰগতিৰ পথত বাধাৰ সৃষ্টি কৰে। শংকৰদেৱে বুজি পাইছিল যে ঈশ্বৰ-তত্ত্বত মানুহক সমদৃষ্টিৰে চোৱাটো আধ্যাত্মিক চেতনাৰ অবিচ্ছেদ্য অংগ। মানৱতাবাদৰ যি তত্ত্ব, গুৰুজনাই তাক অতি বিশালতাৰে লৈ গৈ সমস্ত প্ৰাণীৰ প্ৰতি উদাৰতা-সহনশীলতাৰ এক সুগভীৰ পথ নিৰ্দেশনা দি গৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহাপুৰুষগৰাকীয়ে

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

দেখুৱাই গৈছে যে অকল মানুহৰ মাজতে মানৱতাবাদ জীয়াই নাথাকে, প্ৰাণীকূলৰ মাজত সমভাৱ পোষণ কৰিব পাৰিলেহে প্ৰকৃত মানৱতাবোধৰ পৰিচয় পোৱা যায়। তেৰাই কৈছে যে সমগ্ৰ জীৱকুল আৰু উদ্ভিদকুলক পৰম ব্ৰহ্মৰে অংশ বুলি গণ্য কৰি মানুহে মানৱতাৰ প্ৰকাশ কৰিব লাগিব। প্ৰকৃতিৰ প্ৰতি সহানুভূতিৰ আদৰ্শ পাঁচশ বছৰ পূৰ্বেই মহাপুৰুষগৰাকীয়ে দি গৈছিল বুলি তেওঁ কয়। নৈতিক জীৱন-যাপনে মানুহৰ অন্তৰাত্মাক সঠিক দিশেৰে আগুৱাই নিয়ে বুলি তেৰাই বিশ্বাস কৰিছিল। মহাপুৰুষগৰাকীয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধেও আমাক সজাগ কৰি গৈছিল। হিংসামুক্ত সমাজ তথা সহিষ্ণুতাৰ সমাজ গঢ়িব নোৱাৰিলে মানৱতাবোধৰ সমাজ গঢ়াটো সম্ভৱ নহয় বুলি শংকৰদেৱে পথ দেখুৱাই গৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। সংঘাত নহয়, মিলনেহে মানৱ সমাজ সৌন্দৰ্যশালী কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে যে সহনশীল সমাজ নহ'লে সুখৰ আধাৰ যে নিৰ্মাণ নহয় সেই কথা তেৰাই দেখুৱাই গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে মধ্যযুগত অসমীয়া সমাজখন ঐক্যৱদ্ধ নাছিল। মহাপুৰুষগৰাকীয়ে আধ্যাত্মিক আৰু সাংস্কৃতিক দিশেৰে সকলোকে ঐক্যবদ্ধ কৰি গৈছিল। মহাপুৰুষগৰাকীৰ সকলো সৃষ্টিৰাজিৰ মাজতে জনজাতীয় আৱেগ আৰু উপাদান দেখিবলৈ পোৱা যায় বুলি উল্লেখ কৰি মহাপুৰুষগৰাকীয়ে দেখুৱাই যোৱা আদৰ্শৰে আমি সকলোৱে আগুৱাই যাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনলৈ আহি তেওঁ পৱিত্ৰ অনুভৱ কৰে। তেওঁ লগতে কয় যে শ্ৰীমন্ত শংকৰদেৱ সংঘই প্ৰতিষ্ঠা কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ জৰিয়তে নতুন প্ৰজন্মক উদাৰ সনাতনী সংস্কৃতিৰে আগুৱাই নিয়াৰ বাবে সৰ্বাত্মক প্ৰয়াস চলাব লাগিব যাতে এগৰাকী ভাল অসমীয়া তথা ভাল ভাৰতীয় হিচাপে নিজকে গঢ়ি দি গুৰুজনাক সঠিক ৰূপত তেওঁলোকে মৰ্মে মৰ্মে উপলব্ধি কৰিব পাৰে।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে শ্ৰীমন্ত শংকৰদেৱ সংঘই আগবঢ়োৱা শশীকান্ত বৰবৰুৱা বঁটা আৰু ৰমাকান্ত মুক্তিয়াৰ আতা বঁটা প্ৰদান কৰে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় তেল আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, ক্ৰীড়া, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, বিধায়ক তৰংগ গগৈ, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈ, উপ পদাধিকাৰ বসুন্ধৰ ডেকা, প্ৰধান সম্পাদক বাবুল বৰা, কেইবাটাও অনুষ্ঠানৰ নেতৃবৰ্গকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বংভাঃ**

**২৭-২-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in